**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 6-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় সমবায় খণ্ডক প্ৰসাৰিত কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় সমবায় প্ৰতিষ্ঠানসমূহৰ সৈতে অংশীদাৰিত্ব বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

২। ভাৰত-বাংলাদেশ যুটীয়া নদী পৰিষদৰ ৮৬ সংখ্যক বৈঠক আজি কলকাতাত আৰম্ভ হয়।

৩। শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই এখন স্বাস্থ্যকৰ ভাৰত গঢ়ি তুলিবলৈ প্ৰতিৰোধমূলক আৰু প্ৰচাৰমূলক স্বাস্থ্য সেৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰহিলৈ আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস উপলক্ষে এখন ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব।

*আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত আজি ইউ পি ৱাৰিয়ৰ্ছ মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি হ'ব।০০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় সমবায় খণ্ডক প্ৰসাৰিত কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় সমবায় প্ৰতিষ্ঠানসমূহৰ সৈতে অংশীদাৰিত্ব বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। শ্ৰী মোদীয়ে লগতে সমবায় প্ৰতিষ্ঠানসমূহৰ জৰিয়তে জৈৱিক সামগ্ৰীসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ গুৰুত্ব সম্পৰ্কেও আলোকপাত কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি দেশৰ সমবায় খণ্ডৰ প্ৰগতি সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। বৈঠকৰ সময়ছোৱাত মোদীয়ে ৰপ্তানিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে কৃষি পদ্ধতি উন্নত কৰাৰ বাবে ভূমি পৰীক্ষণৰ আৰ্হি প্ৰস্তুত কৰাৰ পৰামৰ্শও আগবঢ়ায়। প্ৰধানমন্ত্ৰীয়ে বিত্তীয় লেনডেনৰ সুবিধাৰ বাবে ইউ পি আইক ৰূপে আৰু কিষাণ ক্ৰেডিট কাৰ্ডৰ সৈতে একত্ৰিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০

ভাৰত-বাংলাদেশ যুটীয়া নদী পৰিষদৰ ৮৬ সংখ্যক বৈঠক আজি কলকাতাত আৰম্ভ হয়। বাংলাদেশৰ ১১ জনীয়া এটা প্ৰতিনিধি দলে এই বৈঠকত অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, দুয়োখন দেশৰ মাজেৰে বৈ যোৱা নদীসমূহক কেন্দ্ৰ কৰি অব্যাহত থকা কেইবাটাও সমস্যাই এই বৈঠকত প্ৰাধান্য পাব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ভাৰত-বাংলাদেশৰ মাজত সচিব পৰ্যায়ৰ এই বৈঠকৰ পাছতে এখন ছজনীয়া কাৰিকৰী সমিতি গঠন হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে ১৯৯৬ চনতে ভাৰত আৰু বাংলাদেশৰ মাজত **গংগা জল চুক্তি** স্বাক্ষৰিত হৈছিল আৰু অহা বছৰ এই ৩০ বছৰীয়া চুক্তিখনৰ ম্যাদ উকলিব। সম্ভাব্য কাৰিকৰী সমিতিখনে পৰৱৰ্তী ৩ মাহৰ ভিতৰত এই চুক্তিৰ ভৱিষ্যৎ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এখন ৰাষ্ট্ৰীয় দৈনিক কাকতত লিখা **উন্নত ভাৰতৰ দিশে ডিজিটেল পথ** শীৰ্ষক প্ৰবন্ধটোৰ প্ৰশংসা কৰে। প্ৰবন্ধটোৰ উদ্ধৃতি দি সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয়, যে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, কৃত্ৰিম বুদ্ধিমত্তা, অৰ্ধপৰিবহী আৰু বৈদ্যুতিন উৎপাদনৰ ওপৰত গুৰুত্ব দি দেশখনে কেনেদৰে নিজৰ ডিজিটেল ভৱিষ্যৎ গঢ় দিছে সেই বিষয়ে প্ৰবন্ধটোত বিশদভাৱে উল্লেখ কৰা হৈছে।

উল্লেখযোগ্য যে, প্ৰবন্ধটোত শ্ৰী বৈষ্ণৱে ছফ্‌টৱেৰৰ বিকাশৰ ক্ষেত্ৰত বহু আগেয়ে ভাৰতে আন্তঃৰাষ্ট্ৰীয় নেতৃত্ব বহন কৰি বৰ্তমান হাৰ্ডৱেৰ নিৰ্মাণৰ ক্ষেত্ৰতো দেশ দ্ৰুত গতিত আগবাঢ়িছে বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে ৫টা নিৰ্মীয়মান ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ জৰিয়তে বিশ্বৰ বৈদ্যুতিন খণ্ডত ভাৰতে নিজৰ স্থিতি সবল কৰি তুলিছে বুলিও প্ৰবন্ধটোত উল্লেখ কৰে। তেওঁ কয়, যে চলিত বৰ্ষতে দেশৰ প্ৰথমটো মেক ইন ইণ্ডিয়া চিপ নিৰ্মাণৰ জৰিয়তে ভাৰতে অতি সোনকালেই এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিত উপনীত হ'ব। দেশৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ প্ৰশংসা কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থাই আন্তঃৰাষ্ট্ৰীয় মান নিৰূপণ কৰিছে। ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ আৰ্হিৰে বিভিন্ন দেশে একেধৰণৰ ব্যৱস্থা গঢ়ি তুলিবলৈ আগ্ৰহ প্ৰকাশ কৰাৰ কথাও শ্ৰী বৈষ্ণৱে উল্লেখ কৰে।

০০০০০

শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই এখন স্বাস্থ্যকৰ ভাৰত গঢ়ি তুলিবলৈ প্ৰতিৰোধমূলক আৰু প্ৰচাৰমূলক স্বাস্থ্য সেৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। চৰক, সুশ্ৰুত আৰু ভগৱান ধনন্তৰীৰ দৰে প্ৰাচীন ভাৰতীয় চিকিৎসাৰ পথপ্ৰদৰ্শকসকলৰ জ্ঞানৰ উদ্ধৃতি দি তেওঁ, দেশৰ সমৃদ্ধ উত্তৰাধিকাৰৰ ওপৰত আলোকপাত কৰে। হাৰিয়ানাৰ ফৰিদাবাদত **স্বাস্থ্য প্ৰত্যাহ্বান আৰু স্বাস্থ্যকৰ জীৱন শৈলী** শীৰ্ষক সন্মিলনত ভাষণ দি শ্ৰী মন্দাভিয়াই এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে প্ৰতিৰোধমূলক স্বাস্থ্য সেৱাৰ মূল উপাদান হিচাপে ধ্যান, যোগ আৰু উপবাসৰ তাৎপৰ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই কাৰ্যসূচীৰ সমান্তৰালকৈ মন্ত্ৰীগৰাকীয়ে ফৰিদাবাদৰ ই এছ আই চি চিকিৎসা মহাবিদ্যালয়ত তিনিটা অত্যাধুনিকা স্বাস্থ্য সুবিধাও মুকলি কৰে। ইয়াৰ ভিতৰত স্তনৰ কৰ্কট ৰোগ আগতীয়াকৈ ধৰা পেলোৱাৰ বাবে উপযোগী উচ্চ ৰিজ'লিউছনযুক্ত ডিজিটেল ডিটেক্টৰ ভিত্তিক মেম'গ্ৰাফী মেচিনো আছে। এই সুবিধাসমূৰ সংযোজনে বীমাকৃত শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ স্বাস্থ্যসেৱাৰ যথেষ্ট উন্নতি সাধন কৰিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰহিলৈ আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস উপলক্ষে এখন ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব। **নাৰী শক্তিৰে বিকশিত ভাৰত** বিষয়বস্তুৰে কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এই সন্মিলনখনৰ আয়োজন কৰিছে। সামৰিক আৰু অৰ্ধসামৰিক বাহিনীৰ বিষয়া, দিল্লী পুলিচৰ বিষয়া, মাই ভাৰত স্বেচ্ছাসেৱক, অংগনবাড়ী কৰ্মী, আশা কৰ্মী আৰু আত্মসহায়ক গোটৰ সদস্য সমন্বিতে বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত মহিলাসকলে এই সন্মিলনত অংশগ্ৰহণ কৰিব। ইয়াৰ লগতে বিশ্ব বেংক, ইউনিছেফ, ৰাষ্ট্ৰসংঘৰ মহিলা গোটকে ধৰি কেইবাটাও আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ প্ৰতিনিধিসকল এই সন্মিলনত উপস্থিত থাকিব।

উল্লেখযোগ্য যে, সমগ্ৰ বিশ্বতে ৮ মাৰ্চৰ দিনটো আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰূপে উদযাপন কৰা হয়। এইবাৰৰ নাৰী দিৱসৰ বিষয়বস্তু হৈছে- সকলো মহিলা আৰু ছোৱালীৰ বাবে ঃ অধিকাৰ, সমতা, সৱলীকৰণ। এই বিষয়বস্তুৰ জৰিয়তে এগৰাকীও মহিলা বাদ নপৰাকৈ সকলোৰে বাবে সমঅধিকাৰ, ক্ষমতা আৰু সুযোগ-সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ হকে পোষকতা কৰা হৈছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছুদিন পূৰ্বে দেশৰ বিভিন্ন প্ৰান্তৰ মহিলাসকলক তেওঁলোকৰ অনুপ্ৰেৰণামূলক জীৱনযাত্ৰাৰ কথা নমো এপ মুকলি মঞ্চত প্ৰকাশ কৰিবলৈ আহ্বান জনাইছিল। এটা বিশেষ পদক্ষেপ হিচাপে কেইগৰাকীমান নিৰ্বাচিত মহিলাই ৮ মাৰ্চৰ দিনা প্ৰধানমন্ত্ৰীগৰাকীৰ সামাজিক মাধ্যমৰ একাউণ্টসমূহৰ জৰিয়তে তেওঁলোকৰ অভিজ্ঞতাসমূহ প্ৰকাশ কৰিব বুলিও শ্ৰী মোদীয়ে ঘোষণা কৰিছিল।

ooooo

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৈছে যে, এখন অগ্ৰনী সমাজ গঢ়িবলৈ ইয়াৰ নাগৰিকসকলে  অস্পৃশ্যতা, জাতি ভিত্তিক বৈষম্য আৰু অসমতাৰ দৰে কাৰক সমূহৰ পৰা নিজকে মুক্ত কৰিব লাগিব। আজি নতুন দিল্লীত লোকমাতা অহিল্যাবাই হ'লকাৰ মহিলা সন্মান অনুষ্ঠানত এইদৰে প্ৰকাশ কৰি শ্ৰী গাডকাৰীয়ে উচ্চ-নীচ ভেদাভেদহীন, সমতাৰ  ওপৰত ভিত্তি কৰি সমাজ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে প্ৰতিগৰাকী নাগৰিকে এই কথা মনে-প্ৰাণে বিশ্বাস কৰা উচিত  যে, এগৰাকী ব্যক্তিৰ যোগ্যতা কোনো জাতি, ধৰ্ম, ভাষা, লিংগ বা তেওঁলোকৰ মতাদৰ্শৰ দ্বাৰা নিৰূপন কৰিব নোৱাৰি। অনুষ্ঠানত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে সমাজ কল্যাণৰ হকে চৰকাৰে গ্ৰহণ কৰা কেইবাটাও পদক্ষেপৰ সফল ৰূপায়ণৰ ওপৰত আলোকপাত কৰে। আজিৰ অনুষ্ঠানত ৩০ গৰাকীৰো অধিক মহিলাক সমাজ সংস্কাৰৰ বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ অমূল্য অৱদানৰ বাবে সম্বৰ্ধনা জনোৱা হয়।

ooooo

অৰুণাচল প্ৰদেশ বিধানসভাৰ বাজেট অধিৱেশন আজিৰ পৰা আৰম্ভ হৈছে। এয়া হৈছে অষ্টম বিধানসভাৰ চতুৰ্থ সংখ্যক অধিৱেশন। এই অধিৱেশনত ৫খন বৈঠক অনুষ্ঠিত হ'ব। ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল কে টি পাটনায়কৰ ভাষণেৰে আজি সদনৰ কাৰ্যসূচী আৰম্ভ হয়।

ৰাজ্যপালে তেওঁৰ ভাষণত কয়, যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটে অহা বছৰৰ ভিতৰত ৰাজ্যখনৰ উন্নয়নৰ কৌশলগত দিশ নিৰ্ধাৰণ কৰাই নহয়, ২০৪৭ চনৰ ভিতৰত বিকশিত অৰুণাচল নিৰ্মাণৰ লক্ষ্যত উপনীত হোৱাৰ কাৰ্যক্ৰমণিকা হিচাপেও কাম কৰিব। তেওঁ লগতে কয়, যে জটিল খণ্ডসমূহক অগ্ৰাধিকাৰ দি চৰকাৰে অৰুণাচল প্ৰদেশত এটা পৰিৱৰ্তনশীল যুগৰ মঞ্চ তৈয়াৰ কৰিব। সদনত আজি অৰুণাচল প্ৰদেশ সামগ্ৰী আৰু সেৱা কৰ সংশোধনী বিধেয়ক ২০২৫, অৰুণাচল প্ৰদেশ অৰুণ পৰিৱাৰ পাত্ৰ কৰ্তৃপক্ষ বিধেয়ক ২০২৫, অৰুণাচল প্ৰদেশ ৰাজহুৱা চৌহদ সংশোধনী বিধেয়ক আৰু অৰুণাচল প্ৰদেশ বান সমভূমি মণ্ডল বিধেয়ক ২০২৫ উত্থাপন কৰা হয়। অহা ১২ মাৰ্চত বাজেট অধিৱেশনৰ অন্ত পৰিব।

ooooo

মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত আজি ইউ পি ৱাৰিয়ৰ্চ মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি হ'ব। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে মুম্বাই ইণ্ডিয়ানছ ৬

পইণ্টেৰে পইণ্ট তালিকাৰ তৃতীয় স্থান আছে আৰু ইউ পি ৱাৰিয়ৰ্ছ ৪ পইণ্টেৰে পঞ্চম স্থান আছে। অহা ১১ মাৰ্চত লীগ পৰ্যায়ৰ খেলৰ অন্ত পৰিব। পইণ্ট তালিকাৰ শীৰ্ষ স্থানৰ দলটোৱে পোনপটীয়াকৈ ফাইনেল খেলাৰ সুযোগ লাভ কৰিব। দ্বিতীয় আৰু তৃতীয় স্থানত থকা দল দুটাই ১৩ মাৰ্চত এখন প্লে অফ খেলত অৱতীৰ্ণ হ'ব আৰু বিজয়ী দলটোৱে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। মহিলা প্ৰিমিয়াৰ লীগৰ এইবাৰৰ চূড়ান্ত খেলখন ১৫ মাৰ্চত খেলোৱা হ'ব।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ অহা দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কালি লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৫০ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আই চি চি চেম্পিয়নছ ট্ৰফীৰ ইতিহাসৰ সৰ্বাধিক ৩৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ৫০ অ'ভাৰত ৯টা উইকেটৰ বিনিময়ত ৩১২ ৰানহে কৰিবলৈ সমৰ্থ হয়। যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০

সমাপ্ত